T6E3J7

পাঠ ৫

| | | | | |
|---|---|---|---|---|
| ল্ল | চ্চ | ন্ন | ম্ম | স্ক |
| স্ত | স্থ | স্ন | স্প | |

# বুধিয়ক বীৰবল



আকবৰ দিল্লীৰ বাদছাহ আছিল। তেওঁৰ ৰাজসভাত বীৰবল নামেৰে এজন সভাসদ আছিল। বীৰবল অতি বুধিয়ক বাবে আকবৰে বৰ স্নেহ কৰিছিল। আকবৰে মাজে-সময়ে সভাসদসকলৰ বুধিৰ পৰীক্ষা লৈছিল। পিছে বীৰবলক বুধিৰ পৰীক্ষাত কোনেও পৰাস্ত কৰিব পৰা নাছিল।

এদিন আকবৰে মজিয়াত এডাল ৰেখা টানি উপস্থিত সভাসদসকলক ক'লে— "এই ৰেখাডাল যিজনে স্পৰ্শ নকৰাকৈ চুটি কৰিব পাৰিব, তেওঁকেই মই পুৰস্কাৰ দিম।"

আকবৰৰ কথা শুনি সকলোৱে ভাবিবলৈ ধৰিলে। এজন সভাসদে ক'লে, "মহাশয়, ৰেখাডাল অকণমান মচি দিলেই চুটি হ'ব দেখোন।"

আকবৰে ক'লে— "তেনেকৈ চুটি কৰিলে নহ'ব, ৰেখাডাল স্পৰ্শ নকৰাকৈয়ে চুটি কৰিব লাগিব।"

ইমানপৰে বীৰবল মনে মনে বহি আছিল। এইবাৰ তেওঁ বহাৰ পৰা উঠি ৰজাক সেৱা জনালে। তাৰ পিছত মজিয়াত ৰজাই আঁকি থোৱা ৰেখাডালৰ তলতে আন এডাল ৰেখা টানিলে। এই ৰেখাডাল আগৰ ৰেখাডালতকৈ দীঘল। তাৰ পিছত তেওঁ আকবৰক ক'লে— "জাহাপনা, আপোনাৰ ৰেখাডাল চুটি হ'লনে?"

আকবৰে বীৰবলৰ উপস্থিত বুধিৰ প্ৰশংসা কৰিলে আৰু পুৰস্কাৰ দিলে।




### কওঁ আহা

— আকবৰ কোন আছিল?

— আকবৰৰ ৰাজসভাৰ আটাইতকৈ বুধিয়ক সভাসদগৰাকী কোন?

— বীৰবলে ৰেখাডাল কেনেকৈ চুটি কৰিলে?

— আকবৰে বীৰবলক কি দিলে?





### যুক্তাক্ষৰ ভাঙি পঢ়োঁ আৰু লিখোঁ আহা

**দিল্লী ল্ল = ল + ল, লই লই ল্ল**

| | | | |
|---|---|---|---|
| ল্ল | ল + ল | লই লই | ল্ল — দিল্লী, পাল্লা |
| চ্চ | চ + চ | চই চই | চ্চ — উচ্চ, উচ্চাৰণ |
| ন্ন | ন + ন | নই নই | ন্ন — অন্ন, উন্নতি |
| ম্ম | ম + ম | মই মই | ম্ম — আম্মা, মহম্মদ |

যুক্তাক্ষৰ গঠন কৰোঁ আহা



| | | |
|---|---|---|
| ল + ল | লই লই | ল্ল |
| চ + চ | চই চই | চ্চ |
| ন + ন | নই নই | ন্ন |
| ম + ম | মই মই | ম্ম |

পঢ়োঁ আহা

| | |
|---|---|
| ল্ল | পাল্লা, ৰসগোল্লা, চল্লিছ, সাতচল্লিছ |
| চ্চ | উচ্চ, উচ্চতা, উচ্চতৰ, উচ্চচাপ |
| ন্ন | অন্ন, পান্না, অভিন্ন, পঁচপন্ন |
| ম্ম | আম্মা, মহম্মদ |



যুক্তাক্ষৰ ভাঙি পঢ়োঁ আৰু লিখোঁ আহা

নমস্কাৰ স্ক = স + ক সই কই স্ক

| | | | | |
|---|---|---|---|---|
| স্ক | স + ক | সই কই | স্ক | — বিস্কুট, নমস্কাৰ |
| স্ত | স + ত | সই তই | স্ত | — স্তৰ, বস্তা |
| স্থ | স + থ | সই থই | স্থ | — স্থান, আস্থা |
| স্ন | স + ন | সই নই | স্ন | — স্নেহ, স্নান |
| স্প | স + প | সই পই | স্প | — স্পৰ্শ, স্পষ্ট |

## যুক্তাক্ষৰ গঠন কৰোঁ আহা

| | | |
|---|---|---|
| স + ক | সই কই | স্ক |
| স + ত | সই তই | স্ত |
| স + থ | সই থই | স্থ |
| স + ন | সই নই | স্ন |
| স + প | সই পই | স্প |

## পঢ়োঁ আহা

স্কুল, স্কেল, নমস্কাৰ, পুৰস্কাৰ

বস্তা, সস্তা, বিস্তৰ, সবিস্তাৰ

স্থান, আস্থা, প্ৰস্থান, স্থৱিৰ

স্নায়ু, স্নান, স্নেহ, স্নানাগাৰ

স্পৰ্শ, স্পৃহা, স্পিৰিট, নিস্পৃহ



পাল্লা, লালকিল্লা, উচ্চ, উচ্চাৰণ, অন্ন, উন্নতি, মহম্মদ, স্কেল, নমস্কাৰ, পুৰস্কাৰ, তুৰষ্ক, বস্তা, সস্তা, ৰাস্তা, স্নেহ, স্নায়ু, স্নানাগাৰ, স্পৰ্শ, স্পৃহা, স্পিৰিট, স্থান, স্থানান্তৰ, আস্থা, স্থৱিৰ

*ৰেফ্‌যুক্ত শব্দৰ বাহিৰে 'শ', 'ষ' আৰু 'স'ৰ লগত অন্য আখৰ যোগ হ'লে তিনিওটাৰে উচ্চাৰণ যে 'চ'ৰ দৰে হয় সেই কথা ছাত্ৰ-ছাত্ৰীক বুজাই দিব।*

বাক্য পঢ়োঁ আহা



দিল্লী ভাৰতৰ ৰাজধানী।
ইয়াৰ ৰাস্তা-ঘাট আহল-বহল।
দিল্লীত লালকিল্লা আছে।
ইয়াত উচ্চতম ন্যায়ালয়ো আছে।
জুম্মা মছজিদ লালকিল্লাৰ ওচৰত অৱস্থিত।
দিল্লী উচ্চ শিক্ষাৰ প্ৰাণ বুলিব পাৰি।
ইয়াক বিভিন্ন দেশৰ দুৱাৰ মুখ বুলি কয়।

যুক্তাক্ষৰ ভাঙি লিখা।

স্ক = স + ক = স্ক

স্ত = ............ = ☐ ল্ল = ............ = ☐

স্ন = ............ = ☐ চ্চ = ............ = ☐

স্প = ............ = ☐ ন্ন = ............ = ☐


স্থ = ............ = ☐ ম্ম = ............ = ☐

☞ নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী

ছবিৰ লগত মিলা নামটো কাষৰ ঘৰত লিখা।

পাল্লা, নমস্কাৰ, স্কেল, বস্তা









শব্দত থকা যুক্তাক্ষৰ ভাঙি দেখুওৱা।

দিল্লী = ল্ল = ল + ল

উন্নয়ন =

উচ্চাৰণ =

মহম্মদ =

নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী

 ‘ক’ অংশৰ যুক্তাক্ষৰসমূহ ‘খ’ অংশৰ শব্দত বিচাৰি শব্দটো লিখা।

| ‘ক’ অংশ | ‘খ’ অংশ |
| --- | --- |
| ল্ল ন্ন<br>চ্চ ম্ম | পাল্লা, মহম্মদ, উচ্চ, উচ্চতা, দিল্লী, উন্নত, উচ্চমান, অন্ন, বিভিন্ন, আম্মা, ৰসগোল্লা |

উদাহৰণ—

ল্ল — দিল্লী

 যুক্তাক্ষৰকেইটাৰে দুটাকৈ শব্দ সাজা।

ল্ল ............ চ্চ ............

স্থ ............ স্প ............

স্ন ............ স্ক ............

স্ত ............ ন্ন ............

নিৰীক্ষণৰ পাছত শিক্ষকৰ চঃ

পঢ়া আৰু নিজৰ বহীত লিখা।

**আজি স্কুলৰ পুৰস্কাৰ বিতৰণী সভা।**
**সভাত সকলো ছাত্ৰ-ছাত্ৰী উপস্থিত আছে।**
**সকলো প্ৰতিযোগীকে শিক্ষকে প্ৰশংসা কৰিছে।**
**ছাত্ৰ-ছাত্ৰীয়ে শিক্ষাগুৰুৰ চৰণ স্পৰ্শ কৰি প্ৰণাম জনাইছে।**
**প্ৰধান শিক্ষকে স্নেহেৰে সকলোকে আশীৰ্বাদ দিছে।**

দলত আলোচনা কৰা।

ছোৱালীজনী কোনটো বাটেৰে গ'লে ঘৰ পাব আঁচ টানি দেখুৱাই দিয়া।
ছবিত দেখা বস্তুবোৰৰ নাম নিজৰ বহীত লিখা।



কাক কি কওঁ জানো আহা

**সভাসদ**— ৰাজসভাত থকা বিষয়াসকলক সভাসদ বোলে।
**সভাপতি**— সভা বা মেল পৰিচালনা কৰাজনক সভাপতি বোলে।
**সম্ৰাট**— যি ৰজাৰ তলত অনেক তলতীয়া ৰজা থাকে তেওঁক সম্ৰাট বোলে।

## বাক্য সাজি লিখা।

ৰসগোল্লা ...........................................................

ৰাস্তা ...........................................................

পুৰস্কাৰ ...........................................................

উপস্থিত ...........................................................

স্নেহ ...........................................................

## চাই চাই লিখা।

পৰাস্ত হ'লেও দুখ নকৰিবা।

নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী